# পুনৰ সংস্থাপন আৰু পুনৰ বাসন কৰ্ম আঁচনি (খচৰা)

## সৰ্থেবাৰীৰ পৰা পাঠশালালৈ (এ-০৭)

## সংক্ষিপ্ত কাৰ্যকৰী বিৱৰণী

### ক) পাতনি

অসমৰ প্ৰায় ৭,৫৪৭ কিঃ মিঃ ৰাজ্যিক ঘাই পথ আৰু প্ৰধান জিলা পথ অসম চৰকাৰৰ অধীনৰ লোক নিৰ্মাণ পথ বিভাগে চোৱাচিতা আৰু পৰিচালনা কৰে। অসম চৰকাৰে অহা ১৫ বছৰৰ ভিতৰত ৰাজ্যখনৰ ৰাজ্যিক ঘাইপথ আৰু প্ৰধান জিলা পথসমূহৰ আন্তৰ্জাল গাঁথনি উন্নত কৰাৰ উদ্দেশ্যে 'অসম মালা' নামৰ যোজনা ৰূপায়ণৰ বাবে হাতত লৈছে। এই যোজনাক এক সামগ্ৰিক কাৰ্যসূচী হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে য'ত বিভিন্ন উৎসৰ পৰা অহা পুঁজিৰ অধীনত ৰূপায়ণ কৰা হ'ব। ৰাজ্যিক বাজেট, ভাৰত চৰকাৰ, বহিৰ্গতভাৱে আগবঢ়োৱা AIIB, ADB, NDB, বিশ্ববেংক, JICA আদি মাল্টিলেটাৰেল ডেভেলপমেণ্ট বেংক (MDB) সমূহৰ পুঁজি আৰু ৰাজহুৱা-ব্যক্তিগত-অংশীদাৰিত্ব (Public-Private-Partnership) ৰ জৰিয়তে বিভিন্ন প্ৰকল্পসমূহ এই যোজনাৰ অন্তৰ্ভুক্ত। অসম লোক নিৰ্মাণ বিভাগ এই প্ৰকল্পৰ কাৰ্যনিৰ্বাহক সংস্থা। এই যোজনাৰ অধীনত এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক (AIIB)ৰ অৰ্থ সাহায্যত সৰ্থেবাৰীৰ পৰা পাঠশালা চহৰ এ-০৭' প্ৰকল্প পথটো নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

### খ) প্ৰকল্প পথৰ বৰ্ণনা

এ-০৭' প্ৰকল্প পথটো অসমৰ উত্তৰ-পশ্চিম অংশত অৱস্থিত। উক্ত পথটো সৰ্থেবাৰীত ৰাজ্যিক ঘাইপথ-৯ আৰু ৰাজ্যিক ঘাইপথ-৯এ ৱাই ইণ্টাৰছেকছনত আৰম্ভ হৈ পাঠশালা চহৰৰ ৰাষ্ট্ৰীয় ঘাইপথ ২৭ত শেষ হৈছে। পথটোৰ দৈৰ্ঘ্য প্ৰায় ১৭.৬ কিঃ মিঃ। প্ৰস্তাৱিত প্ৰকল্প পথটো বৰপেটা জিলা আৰু নতুনকৈ হোৱা বজালী জিলাৰ মাজেৰে পাৰ হৈ গৈছে। পথটোৰ ৯.৪ কিঃ মিঃ পথাংশ বৰপেটা জিলাত আৰু ৮.২ কিঃ মিঃ পথাংশ বজালী জিলাত অৱস্থিত। এই পথছোৱাত সৰ্থেবাৰী চক্ৰৰ ১২ খন গাঁও আৰু বজালী চক্ৰৰ ৮ খনকৈ গাঁও প্ৰভাৱিত হ'ব। প্ৰকল্প পথটো মূলতঃ সমতল ভূমিত অৱস্থিত। এই প্ৰকল্প পথৰ ভূমি শিল-বালিসহ বোকা মাটিযুক্ত। পথটোৰে গাড়ী চলাচল কৰা অংশৰ প্ৰস্থ সকলোতে সমান বহল নহয়। পথৰ পকীবিহীন দাঁতিসহ এক লেন (৩.৭৫ মিঃ) যুক্ত পথৰ পৰা ইণ্টাৰমিডিয়েট লেন (৫.৫ মিঃ) লৈ প্ৰায় ১.০ মিঃৰ পৰা ২.৪ মিঃলৈ ব্যৱধান থাকে। এই প্ৰকল্প পথত মূলতঃ কৃষিভূমিৰ ব্যৱহাৰ কৰা হৈছে। বৰ্তমানে থকা পথটোৰ ভাঁজবোৰৰ উত্তৰণ ঘটোৱা হৈছে যাতে পথচাৰীৰ অসুবিধা নহয়। ২০২০ চনৰ ২০ আৰু ২১ অক্টোবৰত AIIB ৰ প্ৰকল্প চিনাক্তকৰণ মিছনত এই পথছোৱাক প্ৰাৰম্ভিকভাৱে 'এ' শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছে।

### গ) প্ৰকল্পৰ লক্ষ্য

**প্ৰকল্পৰ লক্ষ্য হিচাপে নিম্ন উল্লেখিত বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে—**

(১) ৰাজ্যৰ পথবোৰ দক্ষিণ এছিয়াৰ দেশবোৰৰ পথ আন্তঃগাঁথনিৰ সমমানৰ কৰা আৰু অৰ্থনৈতিক বিকাশৰ বাবে ৰাজ্যিক ঘাইপথ আৰু প্ৰধান জিলা পথৰ সংযোগীকৰণৰ উত্তৰণ ঘটোৱা।

(২) "মাল্টি মডেল ট্ৰেন্সপ'ৰ্টেছন"ৰ সুবিধাৰ লগতে ৰাষ্ট্ৰীয় ঘাই পথ আৰু গ্ৰাম্য পথৰ আন্তঃযোগাযোগ উন্নত কৰা।

(৩) সন্তোষজনক মানৰ অৰ্থনৈতিক বিকাশ কেন্দ্ৰবোৰৰ মাজত যোগাযোগ, ট্ৰেন্সপ'ৰ্টেছনৰ ক'ৰিডৰৰ উত্তৰণ আৰু আন্তঃৰাজ্যিক যোগাযোগৰ উত্তৰণ ঘটোৱা।

এই প্ৰকল্পৰ লক্ষ্য হ'ল— অসমৰ প্ৰকল্প জিলাসমূহত পথ যোগাযোগ, সুৰক্ষা আৰু জলবায়ুৰ সহনক্ষমতা বৃদ্ধি কৰা। যান-বাহনৰ অহা-যোৱা সুচল কৰাৰ লগতে ৰাজ্যৰ নিৰ্বাচিত ক'ৰিডৰসমূহ সকলো পথচাৰীৰ বাবে সুৰক্ষিত কৰি লোক নিৰ্মাণ পথ বিভাগৰ 'এছেট মেনেজমেণ্ট ছিষ্টেম'ৰ আধুনিকীকৰণলৈ সহযোগিতা আগবঢ়োৱাটোও ইয়াৰ লক্ষ্য। প্ৰকল্প অঞ্চলবোৰত নতুন বিকাশ কেন্দ্ৰৰ উত্তৰণ, দৰিদ্ৰতা হ্ৰাস কৰা, উদ্যোগিক বিকাশ তৰান্বিত কৰা, ৰাজ্যৰ অৰ্থনৈতিকভাৱে পিছপৰা অঞ্চলসমূহৰ প্ৰধান অৰ্থনৈতিক কেন্দ্ৰসমূহৰ সৈতে যোগাযোগ কৰাও আন এক লক্ষ্য।

## ঘ) পুনৰ সংস্থাপন কৰ্ম পৰিকল্পনাৰ লক্ষ্য

এই পুনৰ সংস্থাপন কৰ্ম পৰিকল্পনাৰ লক্ষ্য  যিমান সম্ভৱ অনিচ্ছাকৃত পুনৰ সংস্থাপন এৰাই চলা, প্ৰকল্প আৰু আৰ্হিৰ বিকল্প প্ৰকাশ কৰি অনিচ্ছাকৃত পুনৰ সংস্থাপন কম কৰা, স্থানান্তৰিত দাৰিদ্ৰ লোক আৰু আন দুৰ্বল গোটসমূহৰ জীৱনৰ মান উন্নত কৰা। এই পুনৰ সংস্থাপন কৰ্ম পৰিকল্পনাই প্ৰস্তাৱিত পথ প্ৰকল্পৰ উন্নয়নৰ অনিচ্ছাকৃত পুনৰ সংস্থাপনৰ প্ৰভাৱলৈ চকু দিয়ে।

## ঙ) পন্থা আৰু পদ্ধতি

এই শাখাই তথ্য সংগ্ৰহ আৰু তথ্য বিশ্লেষণৰ বাবে পন্থা আৰু পদ্ধতি অবলম্বন কৰে। এই প্ৰকল্পই তথ্য সংগ্ৰহৰ বাবে পাৰিমাণগত আৰু গুণগত পন্থা অনুসৰণ কৰে। পুনৰ সংস্থাপন পৰিকল্পনা প্ৰস্তুতৰ বাবে পুনৰ সংস্থাপন বাচনি, ভূমি অধিগ্ৰহণ পৰিকল্পনা, প্ৰকল্প জৰীপ আৰু প্ৰভাৱিত সম্পদৰ আৰ্থ-সামাজিক সমীক্ষা আৰু ৰাজহুৱা পৰামৰ্শ বৈঠকৰ বিতং সামাজিক প্ৰভাৱ পৰ্যালোচনা কৰা হয়।

**সামাজিক প্ৰভাৱ পৰ্যালোচনা আৰু পুনৰ সংস্থাপন কৰ্ম পৰিকল্পনাৰ তিনিটা প্ৰধান উপাদান ঃ**

- প্ৰকল্পৰ সম্ভাব্য অধ্যয়নৰ অংশ স্বৰূপে সোনকালে বাচনি কৰা;
- সম্ভাব্য প্ৰভাৱিত জনসংখ্যাৰ সামাজিক প্ৰভাৱ পৰ্যালোচনা; জৰীপ আৰু ভিত্তিৰেখা আৰ্থ-সামাজিক সমীক্ষা, আৰু;
- পুনৰ সংস্থাপন কৰ্ম পৰিকল্পনাৰ প্ৰস্তুতি।

## চ) প্ৰস্তাৱিত উন্নতি

প্ৰকল্প পথৰ যান-বাহন চলাচল বৃদ্ধিৰ হাৰৰ কথা বিবেচনা কৰি নিম্ন উল্লেখিত উন্নয়নৰ প্ৰস্তাৱ লোৱা হৈছে— সমতল/ৰ'লিং ভূ-খণ্ডত ৬৫ (নূন্যতম) /৮০ (সৰ্বাধিক) কিলোমিটাৰ প্ৰতি ঘণ্টাত সৰ্বাধিক 'ডিজাইন স্পীড'ৰ পথৰ দুইলেনযুক্ত পথ নিৰ্মাণ। প্ৰস্থচ্ছেদ (Cross Section) আৰু চহৰ, গ্ৰাম্য, ভূ-খণ্ডৰ অৱস্থা ইত্যাদি উপাদানৰ ওপৰত ভিত্তি কৰি ১২.৫  মিটাৰৰ পৰা ২০ মিটাৰলৈ পথৰ প্ৰস্থ প্ৰস্তাৱ কৰা হৈছে। প্ৰস্তাৱিত পথত ১৪ টা বাছ ষ্টপ, ৪ টা বাছ 'লেবাই' থাকিব, কোনো ট্ৰাক লেবাই, ফ্লাই অ'ভাৰ, ভেহিকুলাৰ আণ্ডাৰপাছ, ৰে'লৰে অভাৰ ব্ৰীজ/ দলঙৰ তলৰ পথ/ লেভেলে ক্ৰছিং নাথাকিব। এখন মেজ'ৰ  আৰু ৫ খন মাইনৰ নতুন দলং, ৮ টা নতুন পাইপ কালভাৰ্ট, ২ টা মেজ'ৰ আৰু ২৮ টা মাইনৰ জাংচন, ১টা ৰি-এলাইনমেণ্ট, ১ টা বাইপাছ থাকিব আৰু কোনো ছাৰ্ভিচ ৰোড নাথাকিব। সকলো প্ৰস্তাৱিত বৈশিষ্ট্য বিবেচনা কৰি প্ৰস্তাৱিত পথৰ বাবে ১৯.৩২ হেক্টৰ (১৬.৭৪ হেক্টৰ ব্যক্তিগত ভূমি আৰু ২.৫৮ হেক্টৰ আন চৰকাৰী বিভাগৰ ভূমি) অতিৰিক্ত ভূমিৰ প্ৰয়োজন হ'ব।

## ছ) প্ৰকল্প অঞ্চলৰ বাবে আৰ্থ-সামাজিক বৃত্তান্ত

প্ৰকল্প পথটো অসমৰ বজালী আৰু বৰপেটা জিলাৰ মাজেৰে গৈছে। ২০১১ চনৰ জৰীপ অনুসৰি বৰপেটা জিলাৰ মুঠ জনসংখ্যা ১.৬ নিযুত আৰু গঠনৰ (১২ জানুৱাৰী ০২০২১) পাছত বজালী জিলাৰ মুঠ জনসংখ্যা ০.২ নিযুত। চৰকাৰী প'ৰ্টেলত বজালী জিলাৰ আৰ্থ-সামাজিক তথ্য উপলব্ধ নহয়, কাৰণ বৰপেটা জিলাৰ পৰা সৃষ্টি কৰা হৈছে আৰু আনুষ্ঠানিকভাৱে জিলা হিচাপে ঘোষণা কৰা হৈছে ১২ জানুৱাৰী ২০২১ চনত।

## জ ) ভূমি অধিগ্ৰহণ আৰু পুনৰ সংস্থাপন আৰু আৰ্থ-সামাজিক বৃত্তান্তত প্ৰকল্প ক্ষতিগ্ৰস্থ লোকৰ প্ৰভাৱ

এই প্ৰকল্প পথৰ বাবে মুঠ ১৬.৭৪ হেক্টৰ ব্যক্তিগত ভূমিৰ প্ৰয়োজন হ'ব। এই পথৰ বাবে অতিৰিক্ত ১৯.৩২ হেক্টৰ ভূমি অধিগ্ৰহণৰ প্ৰয়োজন হ'ব, ইয়াৰে ১৬.৭৪ হেক্টৰ ব্যক্তিগত ভূমি আৰু ২.৫৮ হেক্টৰ আন চৰকাৰী বিভাগৰ ভূমি। গণনা অনুসৰি এই পথ নিৰ্মাণত মুঠ ১৯৩ ব্যক্তিগত গাঁথনি (ইয়াৰ ভিতৰত আছে ৫ টা দখলকাৰী আৰু ৫৮ টা বেদখলকাৰী), ৩৬ টা ধৰ্মীয় স্থানৰ গাঁথনি, ২২ টা চৰকাৰী আৰু তিনিটা সামাজিক স্থানৰ গাঁথনিত প্ৰভাৱ পৰিছে। ১৯৩ ব্যক্তিগত গাঁথনিৰ ভিতৰত ৭ (৩.৩৬ শতাংশ) জন কৃষক।

এই প্ৰকল্পত ৪৮৪ টা পৰিয়ালৰ ওপৰত প্ৰভাৱ পৰিছে। ইয়াৰে ২৫৬ টা পৰিয়ালে মাত্ৰ ভূমি হেৰুৱাইছে, ১৩০ টা পৰিয়ালে ভূমি আৰু গাঁথনি হেৰুৱাইছে আৰু ৯৮ টা মালিকীস্বত্ব নথকা পৰিয়ালে তেওঁলোকৰ গাঁথনি হেৰুৱাইছে। পুনৰ, ৪৮৪ টা ক্ষতিগ্ৰস্থ পৰিয়ালৰ ১৪ টাক বাস্তৱিকভাৱে তেওঁলোকৰ আবাসৰ পৰা স্থানান্তৰ কৰা হ'ব আৰু ৯৯ টা ক্ষতিগ্ৰস্থ পৰিয়াল অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্থ হ'ব।

জৰীপৰ সময়ত ২৫ শতাংশ ক্ষতিগ্ৰস্থ লোকৰ আৰ্থ-সামাজিক তথ্য সংগ্ৰহ কৰা হৈছিল। ক্ষতিগ্ৰস্থ পৰিয়ালবোৰৰ গৰিষ্ঠ সংখ্যকৰ (২২.৭৩ শতাংশ) বাৰ্ষিক আয় ৫৮,৩২০ টকাতকৈ অধিক। ক্ষতিগ্ৰস্থ পৰিয়ালসমূহৰ ১৬.৩১ শতাংশ ব্যৱসায়ৰ সৈতে জড়িত আৰু ১০.৪২ শতাংশ কৃষি কৰ্মৰ সৈতে জড়িত। ক্ষতিগ্ৰস্থ হোৱা গৃহৰ অধিক সংখ্যকেই (৯৯.৩৮ শতাংশ) হিন্দু। ক্ষতিগ্ৰস্থ লোকৰ সামাজিক শাখা অনুসৰি ৬৯.০১ শতাংশ সাধাৰণ শাখাৰ, ১৮.১৮ শতাংশ অনুসূচীত জাতি (এছ চি) আৰু ২.০৭ শতাংশ অনুসূচিত জনজাতি (এছ টি)। ৪৮৪ টা ক্ষতিগ্ৰস্থ পৰিয়ালৰ ১১৭ টা দৰিদ্ৰ সীমাৰেখাৰ তলৰ, ২৪৫ ঘৰ দৰিদ্ৰ পৰিয়াল, অনুসূচিত জাতি (৮৮ টা পৰিয়াল), অনুসূচীত জনজাতি (এটা পৰিয়াল) আৰু মহিলা মুৰব্বী হিচাপে থকা পৰিয়াল (৩০ টা পৰিয়াল)। ব্যৱসায়িক (২০) আৰু আবাসিক (১৪) নিৰ্মাণ হেৰুওৱাৰ বাবে ৩৪ টা পৰিয়ালক বাস্তৱিকভাৱে স্থানান্তৰ কৰা হ'ব।

## ঝ) পৰামৰ্শ, অংশ গ্ৰহণ আৰু তথ্য প্ৰকাশ

প্ৰকল্পৰ বিতং প্ৰকল্প প্ৰতিবেদন তৈয়াৰ কৰাৰ বাবে আৰ্থ-সামাজিক সমীক্ষা চলোৱাৰ সময়ত ক্ষতিগ্ৰস্থ লোকসকলৰ ব্যক্তিগত সাক্ষাৎকাৰ লোৱাৰ লগতে সামুহিক আলোচনা কৰা হৈছে। প্ৰকল্পৰ সম্পৰ্কত তেওঁলোকক বুজাই দিয়াৰ লগতে ক্ষতিপূৰণ, পুনৰ সংস্থাপন, পুনৰ বাসন আদিত গুৰুত্ব দিয়া হৈছে। আলোচনাৰ সময়ত ক'ভিড প্ৰট'কল মনি চলা হৈছে। ক'ভিডৰ সংক্ৰমণ বাধা দিয়াৰ বাবে আলোচনাৰ সময়ত ছেনিটাইজাৰ, মাস্ক ব্যৱহাৰৰ লগতে সামাজিক দূৰত্ব মানি চলা হৈছে। নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে হাত ধুই থকাৰ লগতে এজনক আনজনৰ সংস্পৰ্শ এৰাই চলিবলৈ উৎসাহিত কৰা হৈছে।

মুঠ ১৩ খন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। ইয়াৰ ভিতৰত আছে মহিলা গোটৰ সৈতে হোৱা দুখন আলোচনা সভাও। ব্যৱসায়ী, অবৈধ দখলকাৰী, কৃষক, আবাসী, ক্ষতিগ্ৰস্থ ব্যক্তি আৰু দৰিদ্ৰ পৰিয়ালৰ সৈতেও আলোচনা হৈছে। মুঠ ১৮৬ জন ব্যক্তি (১৬৭ পুৰুষ আৰু ১৯ গৰাকী মহিলা) আলোচনাত উপস্থিত থাকি প্ৰকল্পৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। স্থানীয় নেতাৰ সৈতেও আলোচনা কৰা হয়। ক্ষতিপূৰণ, নূন্যতম ভূমি অধিগ্ৰহণ, সুৰক্ষা ইছ্যু, বাইপাছ, বাছ ষ্টপ, ড্ৰেইনেজ ছিষ্টেম, নতুন দলং নিৰ্মাণ আদি বিষয়সমূহে আলোচনাত ঠাই পায়। এই বিষয়বোৰৰ লগতে ১২ টা স্থানত বাছ ষ্টপ, ১০ টা স্থানত ফুটপাথ কাম ড্ৰেইন, দুটা স্থানত ইণ্টাৰ ছেকছনৰ উন্নীতকৰণ, এটা স্থানত নতুন দলং নিৰ্মাণৰ প্ৰস্তাৱ, তিনিটা স্থানত বৰ্তমান থকা দলং উন্নত কৰা আৰু এটা ৰি-এলাইনমেণ্ট আৰু এটা বাইপাছ নিৰ্মাণৰ বিষয় উত্থাপন হয়। গৰিষ্ঠ সংখ্যক লোকেই প্ৰকল্প কাৰ্যকৰী হোৱাটো বিচাৰে কিন্তু ক্ষতিপূৰণৰ মূল্য, নিয়োগৰ সম্ভাৱনা আদি বিষয়ক লৈ উদ্বিগ্নতা প্ৰকাশ কৰে।

## ঞ) আইনী নীতি পৰিকাঠামো আৰু এনটাইটেলমেণ্ট মেট্ৰিক্স

ৰাষ্ট্ৰীয়/ৰাজ্যিক আইনৰ ভিত্তিত প্ৰকল্পৰ বাবে নীতিগত পৰিকাঠামো আৰু এনটাইটেলমেণ্ট মেট্ৰিক্স ঃ

অসম চৰকাৰৰ প্ৰত্যক্ষ ক্ৰয় নীতি, ২০২১; একচনীয়া ভূমিক পিৰিঅ'ডিক পট্টালৈ ৰূপান্তৰ কৰাৰ অসম চৰকাৰৰ নীতি, অসম ভূমি অধিগ্ৰহণ জাননী নং আৰ এল এ ৩০০/২০১৩/ পি টি -II/ ৭, ২২ ডিচেম্বৰ ২০১৪; ভূমি অধিগ্ৰহণত ক্ষতিপূৰণ আৰু স্বচ্ছতাৰ অধিকাৰ, পুনৰসংস্থাপন আৰু পুনৰ বাসন নীতি, ২০১৫; অসম ৰাজ্যিক পথ প্ৰকল্পৰ বাবে পুনৰ সংস্থাপন নীতি পৰিকাঠামো (সংযোজন), ফেব্ৰুৱাৰী ২০১৮; এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ এণ্ড ইনভেষ্টমেণ্ট বেংকৰ পাৰিৱেশিক আৰু সামাজিক গাঁথনি, ২০১৬ আৰু 'এ আই আই বি'ৰ প্ৰকল্প ক্ষতিগ্ৰস্থ লোকৰ ক্ৰিয়াবিধি, ২০১৮।

RFCTLARR আইন, ২০১৩ ৰ ধাৰা ৪৬ অনুসৰি ব্যক্তিগত ভূমি অধিগ্ৰহণৰ বাবে প্ৰত্যক্ষ ক্ৰয়ক অগ্ৰাধিকাৰ দিয়া হ'ব। মাটিৰ গৰাকীয়ে পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ লাভালাভৰ লগতে ২৫ শতাংশ ইন্‌চেণ্টিভ লাভ কৰিব। RFCTLARR আইন, ২০১৩ ৰ ইম'ভেবুল এছেট এণ্ড চিডিউল-I ৰ ২৬ ৰ পৰা ৩০ ধাৰা অনুসৰি ক্ষতিপূৰণৰ গণনা হ'ব। মটিৰ গৰাকীৰ সঁহাৰি অনুসৰি ভূমি ক্ৰয়ৰ প্ৰক্ৰিয়া সফল নহ'লে ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত থকা ক্ষতিপূৰণ আৰু স্বচ্ছতা অধিকাৰ, পুনৰ সংস্থাপন আৰু পুনৰ বাসন, ২০১৩ (RFCTLARR আইন, ২০১৩) আৰু ভূমি অধিগ্ৰহণত থকা RFCTLARR আইন অনুসৰি, পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ নিয়ম, ২০১৫ অনুসৰি ভূমি লাভ কৰিব।

অসম লোক নিৰ্মাণ বিভাগৰ 'এনটাইটেলমেণ্ট মেট্ৰিক্স' অনুসৰি সকলো ক্ষতিগ্ৰস্থ পৰিয়ালে স্থানান্তৰৰ খৰচ হিচাপে সাহায্য আৰু ক্ষতিপূৰণ লাভ কৰিব। নিজৰ ভূমি হেৰুওৱা লোক আৰু বাস্তৱিকভাৱে স্থানান্তৰ হোৱা ঘৰৰ গৰাকীয়ে বিশেষ সাহায্য লাভ কৰিব। উৎপাদনমূলক সম্পদ হেৰুওৱাসকলেও আৰ্থিক সাহায্য লাভ কৰিব। শাৰীৰিক আৰু অৰ্থনৈতিক স্থানান্তৰৰ ক্ষেত্ৰতো ক্ষতিপূৰণ আৰু আন পুনৰ সংস্থাপনৰ লাভালাভো আগবঢ়োৱা হ'ব। এই প্ৰকল্পৰ অধীনত থকা গৰাকীসকলৰ বাবে যোগ্যতাৰ 'কাট অফ্ ডেট' অসমৰ জিলা ক্ৰয় নীতি ২০২১ চনৰ জাননী অনুসৰি হ'ব আৰু মালিকীস্বত্ব নথকা গৰাকীৰ বাবে প্ৰকল্পৰ জৰীপ আৰম্ভ হোৱা সময় হ'ল নৱেম্বৰ, ২০২০ চন।

## ট) ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থা (গ্ৰিভেন্স ৰিড্ৰেছ মেকানিজিম)

প্ৰকল্প নিৰ্ধাৰিত ওজৰ-আপত্তি নিষ্পত্তিকৰণ কমিটীখন (জি আৰ চি) চাৰিটা পৰ্যায়ত গঠন কৰা হ'ব। ইয়াৰ দুটা প্ৰকল্প কাৰ্যকৰীকৰণ গোট (পি আই ইউ) পৰ্যায়ত আৰু আন দুটা লোক নিৰ্মাণ পথ বিভাগ ৰাজ্যিক পৰ্যায়ত (পি এম ইউ) থাকিব। এই কমিটীয়ে সকলো দিশ চাই ক্ষতিগ্ৰস্থ লোকসকলৰ অভিযোগ বিভিন্ন পৰ্যায়ত বিশ্লেষণ কৰিব। প্ৰকল্প কাৰ্যকৰীকৰণ গোট (পি আই ইউ) পৰ্যায়ত ১৫ টা কৰ্মদিনৰ ভিতৰত আৰু পি এম ইউ পৰ্যায়ত এমাহৰ ভিতৰত জি আৰ চিয়ে যোগ্য ব্যক্তিসকলৰ অভিযোগ সমাধান কৰাৰ আশা কৰা হৈছে। প্ৰকল্প ব্যৱস্থাপনা গোটৰ (পি এম ইউ) নেতৃত্বত প্ৰকল্প সঞ্চালক হিচাপে থাকিব মুখ্য অভিযন্তা (ই এ পি), লোক নিৰ্মাণ পথ বিভাগ। তেওঁৰ লগত থাকিব ন'ডেল বিষয়া, পুনৰ সংস্থাপন বিষয়া, পৰিৱেশ বিষয়া আৰু পঞ্চায়ত, জিলা পৰিষদ, জিলা কাউন্সিল, প্ৰকল্প কাৰ্যকৰীকৰণ গোট, আই পি কমিউনিটী, স্থানীয় বন বিভাগৰ কৰ্তৃপক্ষ, প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগ, ভূমি ৰাজহ বিভাগ আৰু প্ৰশাসনিক সহায়কাৰী বিষয়ববীয়াসকল। পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ সামগ্ৰিক দায়িত্বত প্ৰকল্প সঞ্চালক, লোক নিৰ্মাণ পথ বিভাগ হিচাপে থাকিব মুখ্য অভিযন্তা (ই এ পি) আৰু তেওঁ প্ৰকল্পৰ পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ আয়ুক্ত হিচাপে কাম কৰিব।

## ঠ) আয় পুনৰুদ্ধাৰ আৰু পুনৰ বাসন

সামাজিক প্ৰভাৱ মূল্যায়নে প্ৰকাশ কৰিছে যে কৃষি ভূমি আৰু ব্যৱসায়িক গাঁথনি হেৰুওৱাৰ বাবে ৯৯ টা ক্ষতিগ্ৰস্থ পৰিয়ালক অৰ্থনৈতিকভাৱে স্থানান্তৰ কৰা হৈছে। জৰীপ অনুসৰি ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত ৪৮ টা পৰিয়াল কৃষি ভূমিৰ গৰাকী, ২০ জন দোকানৰ মালিক, এজন শিল্পকাৰ আৰু ৩০ জন ভাড়াতীয়া। 'এনটাইটেলমেণ্ট মেট্ৰিক্স'ত স্থানান্তৰ হোৱা লোকসকলৰ পুনৰ জীৱন নিৰ্বাহৰ বাবে সকাহ দিয়াৰ ব্যৱস্থা আছে। সকলো দৰিদ্ৰ পৰিয়ালে (কিঅস্কক বাদ দি) এককালীন সাহায্য ৫৭,০০০/- (সাতাৱন্ন হাজাৰ) টকা লাভ কৰিব।

## ড) সংস্থানগত ব্যৱস্থা (ইনষ্টিটিউশ্বনেল এৰেঞ্জমেণ্ট)

প্ৰকল্প কাৰ্যকৰীকৰণ সংস্থা অসম লোক নিৰ্মাণ বিভাগ। গুৱাহাটীত থকা প্ৰকল্প ব্যৱস্থাপনা গোট (পি এম ইউ) প্ৰকল্প সঞ্চালক হ'ব মুখ্য অভিযন্তা (ই এ পি)। 'অসম মালা' কাৰ্যসূচীৰ ন'ডেল অফিচাৰ হিচাপে প্ৰকল্প সঞ্চালকক (প্ৰকল্প ব্যৱস্থাপনা গোট) সহায় কৰিব এজন কাৰ্যবাহী অভিযন্তাই। প্ৰকল্পৰ সামগ্ৰিক পৰ্যৱেক্ষণ, বিত্তীয় নিয়ন্ত্ৰণ, কাৰিকৰী পৰ্যৱেক্ষণ আৰু কৰ্ম সম্পাদনৰ বাবে প্ৰকল্প ব্যৱস্থাপনা গোট দায়বদ্ধ হ'ব। অসম মালা কাৰ্যসূচীৰ অধীনত সামাজিক আৰু পৰিৱেশমূলক সহ প্ৰকল্পৰ সকলো উপাদানলৈ লক্ষ্য কৰি লোক নিৰ্মাণ পথ বিভাগলৈ প্ৰয়োগিক সহযোগিতা আগবঢ়াবলৈ থাকিব এক ''কাৰ্যক্ৰম সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা' (পি চি এম চি)। পুনৰ সংস্থাপন কৰ্ম আঁচনিৰ প্ৰয়োগ, পৰ্যৱেক্ষণ আৰু মূল্যায়নৰ বাবে পুনৰ সংস্থাপন কৰ্ম আঁচনি কাৰ্যকৰীকৰণ সংস্থা আৰু নিৰীক্ষণ আৰু মূল্যায়ন সংস্থাক জড়িত কৰিব প্ৰকল্প ব্যৱস্থাপনা গোটে।

জিলা আৰু শাখাত পৃথক ৰাজ্যিক পথ সংমণ্ডলৰ বাবে লোক নিৰ্মাণ পথ বিভাগে ইতিমধ্যেই প্ৰকল্প কাৰ্যকৰীকৰণ গোট গঠন কৰিছে। সুৰক্ষাৰ দিশটো কাৰ্যকৰী কৰিবৰ বাবে প্ৰকল্প কাৰ্যকৰীকৰণ গোটক সহায় কৰিব পুনৰ সংস্থাপন কৰ্ম আঁচনি কাৰ্যকৰীকৰণ সংস্থাই। সুৰক্ষা আৰু প্ৰশমনৰ দিশটো চোৱাৰ বাবে প্ৰকল্পৰ সময়চোৱাত প্ৰকল্প কাৰ্যকৰীকৰণ গোটে সামগ্ৰিকভাৱে পৰ্যৱেক্ষণ কৰিব। সংশ্লিষ্ট জিলা বা সংমণ্ডলত প্ৰকল্প সম্পৰ্কীয় কাম কাৰ্যকৰী কৰাৰ বাবে প্ৰকল্প কাৰ্যকৰীকৰণ গোট দায়বদ্ধ হ'ব। তেওঁলোকৰ কামৰ ভিতৰত অন্তৰ্ভুক্ত পথ শক্তিশালী আৰু বহল কৰা কাম, পথ পুনৰ সংস্থাপনৰ কাম কাৰ্যকৰী কৰা, ভূমি অধিগ্ৰহণ আৰু বন বিষয়ক মঞ্জুৰী, আন বিভিন্ন কামৰ প্ৰস্তুতি আৰু সম্পাদন, পথ সুৰক্ষাৰ দিশবোৰ চোৱাচিতা আৰু স্থানীয় প্ৰশাসন আৰু লোকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলা।

## ঢ) কাৰ্যকৰীকৰণ ব্যৱস্থাৰ সম্পাদন (ইমপ্লিমেণ্টেশ্বন চিডিউল)

প্ৰভাৱিত গাঁথনি, পুনৰ সংস্থাপন আৰু পুনৰ বাসন কাৰ্যকলাপৰ ক্ষতিপূৰণ দিবৰ বাবে 'পুনৰ সংস্থাপন কৰ্ম আঁচনি'খন প্ৰস্তুত কৰা হৈছে। সামগ্ৰিক প্ৰকল্প বাস্তৱত কাৰ্যকৰী কৰাৰ ভিত্তিত পুনৰ সংস্থাপন কৰ্ম আঁচনি প্ৰয়োগৰ সূচী ঠিক কৰা হ'ব। প্ৰকল্পৰ ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতহে প্ৰত্যেক প্ৰকল্পৰ ব্যৱহাৰিক কামৰ ঠিকা দিয়া হ'ব। পুনৰ সংস্থাপন কৰ্ম আঁচনিৰ কাৰ্যকৰী প্ৰয়োগক তিনিটা পৰ্যায়ত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— পুনৰ সংস্থাপন কৰ্ম আঁচনিৰ প্ৰস্তুতি, কাৰ্যকৰীকৰণৰ কামৰ চোৱাচিতা আৰু নিৰীক্ষণ, আৰু প্ৰতিবেদনৰ কামৰ চোৱাচিতা। তিনি বছৰৰ ভিতৰত 'পুনৰ সংস্থাপন কৰ্ম আঁচনি' কাৰ্যকৰী প্ৰয়োগ হ'ব।

## ণ) নিৰীক্ষণ আৰু প্ৰতিবেদন

পুনৰ সংস্থাপন কৰ্ম আঁচনিৰ বাবে বাহ্যিক আৰু আভ্যন্তৰীণ উভয়ে পৰ্যৱেক্ষণ প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত হ'ব। কাৰ্যক্ৰম সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা আৰু পুনৰ সংস্থাপন কাৰ্যকৰীকৰণ সংস্থাৰ সহযোগত প্ৰকল্প ব্যৱস্থাপনা গোটে আভ্যন্তৰীণ পৰ্যৱেক্ষণ কৰিব। যোগ্য আৰু অভিজ্ঞ বাহ্যিক নিৰীক্ষণ পৰামৰ্শদাতাৰ সহায়ত পৰ্যৱেক্ষণ কৰা হ'ব।

**সংশ্লিষ্ট সংস্থাই দাখিল কৰিব লগা প্ৰতিবেদন তলত দিয়া ধৰণৰ—**

- পুনৰ সংস্থাপন কৰ্ম আঁচনি কাৰ্যকৰীকৰণ সংস্থা— প্ৰত্যেক মাহৰ পাঁচ দিনৰ ভিতৰত মাহেকীয়া কাম-কাজৰ প্ৰতিবেদন দাখিল কৰিব প্ৰকল্প কাৰ্যকৰীকৰণ গোটক। অন্তিম ত্ৰৈমাসিকত কৰা কাম-কাজৰ ত্ৰৈমাসিক প্ৰকল্প প্ৰতিবেদন (কিউ পি আৰ) আৰু আসন্ন ত্ৰৈমাসিকৰ প্ৰস্তাৱিত কাম-কাজ প্ৰত্যেক মাহৰ পাঁচ দিনৰ দিনা প্ৰকল্প ব্যৱস্থাপনা গোটক দাখিল কৰিব।
- সামাজিক বিশেষজ্ঞ, প্ৰকল্প ব্যৱস্থাপনা গোট— সামাজিক বিশেষজ্ঞ, প্ৰকল্প ব্যৱস্থাপনা গোটে অৰ্ধ-বাৰ্ষিক নিৰীক্ষণ প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু AIIB ক দাখিল কৰিব।

- নিৰীক্ষণ আৰু মূল্যায়ন পৰামৰ্শদাতা— বাহ্যিক নিৰীক্ষণ আৰু মূল্যায়ন পৰামৰ্শদাতাই ত্ৰৈমাসিক বাহ্যিক নিৰীক্ষণৰ প্ৰতিবেদন, মূল্যায়ন প্ৰতিবেদন (ত্ৰৈমাসিক), বছৰেকীয়া অগ্ৰগতিৰ প্ৰতিবেদন আৰু চূড়ান্ত সমাপ্তিৰ প্ৰতিবেদন প্ৰস্তুত কৰিব।

## ত) পুনৰ সংস্থাপনৰ বাজেট

অসম চৰকাৰৰ প্ৰত্যক্ষ ক্ৰয় নীতি, ২০২১ অনুসৰি প্ৰকল্প পথ উন্নয়নৰ পুনৰ সংস্থাপনৰ বাজেট নিৰ্ধাৰণ কৰা হয়। পুনৰ সংস্থাপনৰ বাজেটৰ ভিতৰত পৰে ব্যক্তিগত ভূমি স্থানান্তৰৰ খৰচ, আন স্থাৱৰ সম্পত্তিৰ খৰচ আৰু ভূমিৰ সৈতে থকা সম্পদ আৰু মাটিৰ মালিকক মুঠ খৰচৰ প্ৰায় ২৫ শতাংশ ইনচেনটিভ, পুনৰ সংস্থাপন কৰ্ম আঁচনি কাৰ্যকৰীকৰণ সংস্থাৰ সেৱাৰ খৰচ, মূল্যায়ন সংস্থা আদিৰ খৰচ। এই প্ৰকল্পত মুঠ পুনৰ সংস্থাপন বাজেট ২৯৮.৪৬ নিযুত টকা ধাৰ্য্য কৰা হৈছে।

**তালিকা ২ ঃ আনুমানিক ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন আৰু পুনৰ বাসন ব্যয়**

| ক্ৰমিক নং | উপাদান | ব্যয় (টকা কোটিত) |
|---|---|---|
| ১। | ভূমি অধিগ্ৰহণ ব্যয় | ১২.৯৩ |
| ২। | নিমাৰ্ণ ব্যয় (ভূমিৰ স্বত্বাধিকাৰী) | ৪.৮৮ |
| ৩। | মুঠ ক্ষতিপূৰণৰ(ভূমি+নিৰ্মাণ ব্যয়) ২৫ শতাংশ অতিৰিক্ত ইনচেনটিভ | ৪.৪৫ |
| ৪। | নিৰ্মাণ ব্যয় (ভূমিৰ মালিকীস্বত্ব নথকা) | ০.৯৩ |
| ৫। | পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ সাহায্য পোৱা মালিকীস্বত্ব নথকা গৰাকী (দখলকাৰী আৰু অবৈধ দখলকাৰী)। | ০.৮৫ |
| ৬। | পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ সাহায্য পোৱা মালিকীস্বত্ব নথকা গৰাকী (দখলদাৰ আৰু পট্টাদাৰ) | ০.৬৬ |
| ৭। | সাধাৰণ সম্পত্তি সম্পদৰ (চি পি আৰ) খৰচ | ১.৭২ |
| ৮। | পুনৰ সংস্থাপন আঁচনি কাৰ্যকৰীকৰণ পৰামৰ্শদাতা | ০.৭১ |
| | **মুঠ ঃ (১+২+৩+৪+৫+৬+৭+৮)** | **২৭.১৩** |
| | **কণ্টিজেন্সী ১০ শতাংশ** | **২.৭১** |
| | **সৰ্বমুঠ (কোটিত)** | **২৯.৮৫** |
| | **সৰ্বমুঠ মিলিয়নত (আই এন আৰ)** | **২৯৮.৪৬** |

—